অসম

"অসমত SIR লাগিবই, ভোটাৰ তালিকাৰ পৰা অবৈধ বাংলাদেশীৰ নাম কর্তন কৰিবই লাগিব" : উৎপল শর্মা

অসমত শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত আৰু এন আৰ চি পুনৰ পৰীক্ষাৰ দাবী জনাইছে উৎপল শর্মাই। অবৈধ বাংলাদেশী নাগৰিকৰ নাম ভোটাৰ তালিকাৰ পৰা কর্তনৰো পোষকতা কৰিছে তেওঁ।

প্ৰকাশ: ১২ নৱেম্বৰ ২০২৬, নিশা ৮:০৩



AASU president Utpal Sharma (NewzNow)

গুৱাহাটী, ১২ নৱেম্বৰ: অসমত ভোটাৰ তালিকাৰ বিশেষ সংশোধন প্ৰক্ৰিয়া ৰূপায়ণৰ দাবী উত্থাপন কৰিছে উৎপল শর্মাই। ৰাজ্যখনত নির্ভুল আৰু শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰাটো অতি প্ৰয়োজনীয় বুলি তেওঁ মন্তব্য কৰে। একে সময়তে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ পুনৰ পৰীক্ষাৰো দাবী জনাইছে তেওঁ।

উৎপল শর্মাই কয়, অসমৰ মানুহে অসম আন্দোলনৰ সময়তেই এছ আই আৰৰ কথা শুনিছে। অসমত এছ আই আৰ আৰু শুদ্ধ ভোটাৰ তালিকা লাগিবই বুলি তেওঁ কয়। অসম আৰু দেশৰ আন ৰাজ্যসমূহৰ সামাজিক তথা ৰাজনৈতিক পৰিস্থিতিৰ মাজত পার্থক্য আছে বুলি উল্লেখ কৰি তেওঁ কয়, বিহাৰ আৰু পশ্চিমবংগত এই বিষয়টো চর্চালৈ অহাৰ পাছত অসমতো এই প্ৰক্ৰিয়া ৰূপায়ণৰ প্ৰয়োজনীয়তা অধিক গুৰুত্ব লাভ কৰিছে।

© 2026 NewzNow

অসম আন্দোলনৰ সময়ৰ পৰাই ভোটাৰ তালিকাৰ পৰা অবৈধ বিদেশী নাগৰিকৰ নাম কর্তনৰ দাবী উত্থাপন হৈ আহিছে বুলি অভিযোগ কৰি তেওঁ কয়, হিন্দু বা মুছলমান ধর্ম নির্বিশেষে সকলো অবৈধ বাংলাদেশী নাগৰিকৰ নাম ভোটাৰ তালিকাৰ পৰা কর্তন কৰিব লাগে।

অসমত শুদ্ধ ভোটাৰ তালিকা প্রস্তুত কৰাৰ লগতে ৰাষ্ট্রীয় নাগৰিকপঞ্জীৰ পুনৰ পৰীক্ষাও জৰুৰী বুলি উৎপল শর্মাই কয়। অসমৰ খিলঞ্জীয়া ৰাইজৰ অধিকাৰ আৰু ভৱিষ্যৎ সুৰক্ষিত কৰাৰ স্বার্থত এই পদক্ষেপ গ্রহণ কৰিব লাগে বুলি তেওঁ মন্তব্য কৰে।

এন আৰ চি পুনৰ পৰীক্ষাৰ দাবীৰ সমর্থনত সদৌ অসম ছাত্র সন্থাই পূর্বেও বিভিন্ন সময়ত আবেদন দাখিল কৰি আহিছে বুলিও তেওঁ জনায়।

বিশেষ সংশোধন হৈছে নির্বাচন আয়োগৰ অধীনত ভোটাৰ তালিকাৰ বিস্তৃত পৰীক্ষা আৰু সংশোধনৰ এক প্রক্রিয়া। ইয়াৰ জৰিয়তে ভোটাৰৰ তথ্য পুনৰ পৰীক্ষা কৰাৰ লগতে যোগ্য ভোটাৰৰ নাম অন্তর্ভুক্ত আৰু অযোগ্য ভোটাৰৰ নাম কর্তনৰ ব্যৱস্থা কৰা হয়।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/2516/osm-ech-ai-a-vota-talika-uttpl-sma